# টিংখাং কলেজত গ্ৰন্থাগাৰিক দিৱস পালন

## ‘মনৰ দিগন্ত খুলি’ শীৰ্ষক বক্তৃতা




**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৩ আগষ্ট ঃ** টিংখাং মহাবিদ্যালয়ত কালি পদ্মশ্ৰী ড° এছ আৰ ৰংগনাথনৰ জন্মদিনটো ‘ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস’ হিচাপে উছাহ- উদ্দীপনাৰে উদ্‌যাপন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি মহাবিদ্যালয়খনৰ পুথিভঁৰাল গোটৰ উদ্যোগত অনুষ্ঠিত বিশেষ সভাত ‘ মনৰ দিগন্ত খুলি’ শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছফ্‌ট স্কিল ডেভেলপমেণ্ট চেলৰ সমন্বয়ক, শিক্ষক, লেখক, অনুবাদক, ধ্যান আৰু Quantum Healingৰ বিশেষজ্ঞ ব্যক্তি হেমচন্দ্ৰ দত্তই। সাম্প্ৰতিক পৃথিৱীত ছফ্‌ট স্কিলৰ প্ৰাংগিকতাৰ কথা ব্যাখ্যা কৰি দত্তই কয় যে আমাৰ সমাজৰ ৯৯ শতাংশ মানুহেই আচলতে শৈক্ষিক মাপকাঠীৰেহে বুদ্ধিমান, সামাজিক আৰু আনুভূতিক বুদ্ধিমত্তাৰে বুদ্ধিমান নহয়। আমাৰ সমাজত চাকৰি পাবলৈ উপযুক্ত এচাম মানুহ প্ৰতি বছৰে তৈয়াৰ হৈ আহিছে। তেওঁলোক শৈক্ষিক মাপকাঠীৰেহে বুদ্ধিমান। তেওঁলোকৰ সামাজিক আৰু আনুভূতিক বুদ্ধিমত্তা তেনেই পুতৌলগা। ফলত সমাজলৈ যিধৰণৰ ৰূপান্তৰৰ বাৰ্তা আহি ব লাগিছিল এতিয়াও অহা নাই। ‘ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০’ৰ খেও টানি দত্তই কয় যে নতুন শিক্ষানীতিয়ে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকৰো সামাজিক আৰু আনুভূতিক বুদ্ধিমত্তাৰ বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। সেয়ে নতুন শিক্ষানীতিত ছফ্‌ট স্কিলৰ প্ৰসংগ বাৰেপতি উল্লেখ কৰা হৈছে। ছফ্‌ট স্কিল কেৱল Communicative English নহয় বুলি ব্যাখ্যা কৰি দত্তই এনেদৰে কয় যে ছফ্‌ট স্কিলৰ মতে এজন ব্যক্তিৰ তিনিটা জীৱন থাকে। সেয়া হ’ল ব্যক্তিগত জীৱন, সামাজিক জীৱন আৰু বৃত্তিগত জীৱন। এই তিনিওটা জীৱনতে মাজে ১০ পৃষ্ঠাত

বসুমতাৰী আৰু পঞ্চায়তৰ প্ৰতিনিধি, জাতীয় মহাসভাৰ বিষয়ববীয়াসকল।

# টিংখাং কলেজত গ্ৰন্থাগাৰিক দিৱস পালন

সময়ে কেৰকেৰণিৰ সৃষ্টি হয়। চাইকেলত কেৰকেৰণি হ'লে আমি গ্ৰীছ (Grease) লগাওঁ। এই গ্ৰীছে কেৰকেৰণি নোহোৱা কৰি চাইকেলখন চলাবলৈ সুচল কৰি তোলে। এজন ব্যক্তিৰ ব্যক্তিগত, সামাজিক আৰু বৃত্তিগত জীৱনত উদ্ভৱ হোৱা কেৰকেৰণিবোৰ নোহোৱা কৰি যিবোৰ বস্তুৱে জীৱনটো শান্তিভৰা, আনন্দময় আৰু সাফল্যমণ্ডিত কৰি তোলাত সহায় কৰে, তাৰ নামেই হ'ল ছফ্‌ট স্কিল। বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিক পৰিৱেশত যিবোৰ কথা শিকোৱা হয় আৰু যিবোৰ শিকাৰ অন্তত এজন ছাত্ৰই এখন উত্তীৰ্ণৰ মানপত্ৰ লাভ কৰে, সেইবোৰক কোৱা হয় Hard Skill। কেৱল Hard Skillৰে জীৱনটো নচলে। জীৱনটোক অৰ্থপূৰ্ণ, শান্তিভৰা, আনন্দময় আৰু সাফল্যমণ্ডিত কৰি তুলিবলৈ Hard Skillৰ সমান্তৰালকৈ আমাক ছফ্‌ট স্কিলৰ জ্ঞান লাগিবই।' অনুষ্ঠানত টিংখাং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৌচুমী গগৈ, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা টিংখাং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক অধ্যক্ষ জীৱেশ্বৰ মোহন আৰু টিংখাং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী গ্ৰন্থগাৰিক অণিমা চুতীয়াই অনুষ্ঠানত উপস্থিত থাকে আৰু 'গ্ৰন্থগাৰিক দিৱস' ৰ সৈতে সংগতি ৰাখি চমু বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানতে মহাবিদ্যালয়খনৰ পুথিভঁৰালৰ শ্ৰেষ্ঠ পঢ়ুৱৈ তথা বুৰঞ্জী বিভাগৰ ছাত্ৰী পৰীস্মিতা চাংমাইক এখন মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে পুৰস্কৃত কৰা হয়। টিংখাং মহাবিদ্যালয়ৰ এক বুজনসংখ্যক শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা এই অনুষ্ঠানৰ আঁত ধৰে টিংখাং মহাবিদ্যালয়ৰ সহকাৰী গ্ৰন্থগাৰিক ক্ৰমে ৰীতা সন্দিকৈ আৰু পৰীস্মিতা দেৱীয়ে। শলাগৰ শৰাই আগবঢ়ায় সহকাৰী গ্ৰন্থাগাৰিক পৰীস্মিতা দেৱীয়ে।